Website : https//auniv.ac.in
E-mail : registrar@auniv.ac.in
auniatiuniversity@gmail.com

Mobile No.: 8134067192

পঞ্জীয়কৰ কাৰ্য্যালয় Office of the Registrar
# আউনীআটী বিশ্ববিদ্যালয় : AUNIATI UNIVERSITY
(Estd. By Govt. of Assam under its Act No XXXIX, 2022 &
Recognized under Section 2(f) of UGC Act, 1956)
কলিয়াপানী, টীয়ক, যোৰহাট- ৭৮৫১১২, অসম : Kaliapani, Teok, Jorhat– 785112, Assam

*প্ৰসঙ্গ ক্ৰম* : আবি/পঞ্জী./কশা/২০২৪-২০২৫/৩৭০/২৪২১-২৪২৯ *তাৰিখ* : ৩ আহাৰ, ১৪৩২ ভাস্কৰাব্দ : ১৮ জুন, ২০২৫

## বিজ্ঞপ্তি

আউনীআটী বিশ্ববিদ্যালয়ৰ মহামহিম আচাৰ্য্য, পূজ্যপাদ ড° শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী প্ৰভুৰ দিশ-নিৰ্দেশনা আৰু পৰিকল্পনাৰ ভিত্তিত, অহা ২৬ আৰু ২৭ জুলাই, ২০২৫ তাৰিখে শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱগোস্বামী সংহত চৌহদ, উত্তৰ গুৱাহাটীত পৰিৱেশ্য কলাৰ প্ৰায়োগিক ব্যৱহাৰ আৰু ব্যাখ্যাত্মক কৰ্মশালা অনুষ্ঠিত হ'ব। উক্ত কৰ্মশালাটো সুচাৰুৰূপে আয়োজন কৰাৰ উদ্দেশ্যে তলত উল্লেখ কৰা ব্যক্তিসকলক বিভিন্ন দায়িত্ব অৰ্পণ কৰা হৈছে :

১। শৈক্ষিক সমন্বয়ক : শ্ৰীতুলসী ৰাজখোৱা

২। ব্যৱস্থাপনা সমন্বয়ক : শ্ৰীথানেশ্বৰ শৰ্মা

৩। চৌহদ সমন্বয়ক :

(ক) মূল প্ৰশাসনিক চৌহদ, টীয়ক – শ্ৰীজয়ন্ত শইকীয়া

(খ) শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী সংহত চৌহদ, মাজুলী – শ্ৰীউৎপল বৰা

(গ) শ্ৰীশ্ৰীহেমচন্দ্ৰ গোস্বামী সংহত চৌহদ, উত্তৰ গুৱাহাটী – শ্ৰীঋতুস্মিতা ডেকা

উক্ত কৰ্মশালাত অংশগ্ৰহণৰ বাবে প্ৰত্যেক সংহত চৌহদৰ পৰা অংশগ্ৰহণ কৰিবলগীয়া শিক্ষক, শিক্ষাৰ্থী আৰু কৰ্মচাৰীসকলৰ সংখ্যা-সহ তালিকা ২৪ জুন, ২০২৫ তাৰিখৰ ভিতৰত বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। তালিকাৰ সৈতে বিজ্ঞপ্তিখনৰ সৈতে সংলগ্ন অংশগ্ৰহণকাৰীৰ প্ৰ-পত্ৰ (Participation Form) পূৰণ কৰি দাখিল কৰিব লাগিব।

বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ উপৰি সকলো বিভাগৰ শিক্ষক আৰু শিক্ষাৰ্থীয়ে (সকলো পাঠ্যক্ৰমৰ) উক্ত কৰ্মশালাত বাধ্যতামূলকভাৱে অংশগ্ৰহণ কৰিব লাগিব। উল্লেখযোগ্য যে, অংশগ্ৰহণকাৰীসকলৰ বাবে কোনো ধৰণৰ পঞ্জীয়ন মাচুল দিব নালাগে। তেওঁলোকৰ যাতায়াত, আহাৰ-ব্যৱস্থা আদি সকলো বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা কৰা হ'ব। এই বিষয়ে সংশ্লিষ্ট সকলোৰে সদয় মনোযোগ আকৰ্ষণ কৰা হ'ল।

আউনীআটী বিশ্ববিদ্যালয় Office of the REGISTRAR Date Auniati University

পঞ্জীয়ক
আউনীআটী বিশ্ববিদ্যালয়

মেমো ক্রম : আবি/পঞ্জী./কশা/২০২৪-২০২৫/৩৭০/২৪২১-২৪২৯/তাৰিখ : ১৮ জুন, ২০২৫

প্ৰতিলিপি প্ৰেৰণ কৰা হৈছে :

১। মহামহিম আচাৰ্য্য, আউনীআটী বিশ্ববিদ্যালয়, কলিয়াপানী, টীয়ক

২। সন্মানীয় উপাচাৰ্য্য, আউনীআটী বিশ্ববিদ্যালয়, কলিয়াপানী, টীয়ক

৩। সচিব, ন্যাস পৰিষদ, আউনীআটী বিশ্ববিদ্যালয়, কলিয়াপানী, টীয়ক

৪। আচাৰ্য্যৰ কাৰ্য্যালয়ৰ সচিব, আউনীআটী বিশ্ববিদ্যালয়, কলিয়াপানী, টীয়ক

৫। ভাৰপ্ৰাপ্ত দায়িত্ববাহী, শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী সংহত চৌহদ, মাজুলী

৬। সমন্বয়ক, শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱ গোস্বামী সংহত চৌহদ, উত্তৰ গুৱাহাটী

৭। অধ্যাপক/অধ্যাপিকা, আউনীআটী বিশ্ববিদ্যালয়; কলিয়াপানী, টীয়ক

৮। জনসম্পৰ্কৰক্ষী বিষয়া, আউনীআটী বিশ্ববিদ্যালয়, কলিয়াপানী, টীয়ক

৯। কাৰ্য্যালয়ৰ প্ৰতিলিপি

পঞ্জীয়ক
আউনীআটী বিশ্ববিদ্যালয়